# 2011

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ ঃ ১×৭=৭

(ক) ‘শৰৎ বৰ্ণনা’ নামৰ কবিতাটোত মহাপুৰুষ শংকৰদেৱে ব্যৱহাৰ কৰা ছন্দটোৰ নাম লিখাঁ।

(খ) ‘তেজৰে কমলাপতি’ নামৰ বৰগীতটোৰ ৰাগটোৰ নাম লিখাঁ।

(গ) ‘অচিনা’ নামৰ কবিতা-পুথিখনৰ ৰচয়িতাগৰাকীৰ নাম লিখাঁ।

(ঘ) কমলাকান্ত ভট্টাচাৰ্য্য কোন যুগৰ কবি, লিখাঁ।

(ঙ) “মোৰ প্ৰাণৰো প্ৰাণৰ, মোৰ গানৰো গানৰ মোৰ দেশ।”
কাব্যাংশটি কোনটো কবিতাৰ পৰা উদ্ধৃত কৰা হৈছে, লিখাঁ।

(চ) 'প্ৰতিমা'ৰ কবিগৰাকীৰ নাম লিখাঁ।

(ছ) "জাতি মোৰ তেজ, জাতি মোৰ মঙহ, জাতি মোৰ অস্থি, জাতি মোৰ মজ্জা।" এই কথাষাৰৰ বক্তা কোন?

২। চমু উত্তৰ লিখাঁ ঃ ২×৪=৮

(ক) বৰগীত কাক বোলে, লিখাঁ।

(খ) শংকৰদেৱে ৰচনা কৰা দুখন কাব্যগ্ৰন্থৰ নাম লিখাঁ।

(গ) 'গঢ়া কৰি মোক ঝাড়ুদাৰ' কবিতাটিত ঝাড়ুদাৰ বুলি কাক কৈছে, লিখাঁ।

(ঘ) 'মালতী' কোন, চমুকৈ লিখাঁ।

৩। নিম্নলিখিতবোৰৰ উত্তৰ লিখাঁ (যি কোনো তিনিটা) ঃ ৫×৩=১৫

(ক) ৰোমান্টিক কবিতাৰ পাঁচটা লক্ষণ লিখাঁ।

(খ) 'চাৰি আশ্ৰম' বুলিলে কি বুজা, চমুকৈ লিখাঁ।

(গ) মাধৱদেৱৰ বৰগীত 'তেজৰে কমলাপতি'ত কোনবিধ ৰসৰ সমাহাৰ হৈছে, বৰগীতটিৰ কাহিনীৰ আধাৰত চমুকৈ লিখাঁ।

(ঘ) “তোমাৰ সৃষ্টি কদাকাৰ কৰা মলি মামৰৰ দ’ম
বিশ্বৰ পৰা সাৰি পুছি আনি ময়েঁই গৰাকী হ’ম॥”

কবিতাফাঁকি কোনটো কবিতাৰ পৰা উদ্ধৃত? কবিতাফাঁকিৰ মাজেৰে কবিয়ে কি ক’ব বিচাৰিছে, আলোচনা কৰাঁ।

(ঙ) “স্বৰ্গৰ কোনোবা নন্দন বনত
আমাৰ বাবে নাই
মৃত্যুঞ্জয়ী অমৃতৰ গোপন ভাণ্ডাৰ।”

কাব্যাংশটো ক’ৰ পৰা অনা হৈছে? কবিয়ে ‘মৃত্যুঞ্জয়ী অমৃতৰ গোপন ভাণ্ডাৰ’ বুলি কাৰ কথা কৈছে, লিখাঁ।

৪। নিম্নলিখিতবোৰৰ উত্তৰ লিখাঁ (যি কোনো তিনিটা) ঃ ১০×৩=৩০

(ক) সাম্প্ৰতিক কবিতা-শৈলীৰ প্ৰধান বিশেষত্বসমূহ দাঙি ধৰি ‘মোৰ দেশ’ কবিতাত সেই বিশেষত্ববোৰ কিমানদূৰ প্ৰতিফলিত হৈছে, উদাহৰণ দি আলোচনা কৰাঁ।

(খ) ‘বিপ্লৱী’ কবিতাটোত অমূল্য বৰুৱাৰ সংগ্ৰামী মনটোৱে কি বিচাৰিছে, চমুকৈ লিখাঁ।

(গ) চন্দ্ৰকুমাৰ আগৰৱালাৰ ‘নিয়ৰ’ কবিতাটিত কবিৰ কল্পনাই কেনেদৰে অসাধাৰণ ৰূপ ধাৰণ কৰিছে, আলোচনা কৰাঁ।

(ঘ) ‘পাহৰণি’ কবিতাটোত কমলাকান্ত ভট্টাচাৰ্য্যৰ স্বদেশানুৰাগ কিদৰে প্ৰতিবিম্বিত হৈছে, সম্যকভাৱে আলোচনা কৰাঁ।

(ঙ) মাধৱদেৱৰ ‘তেজৰে কমলাপতি’ নামৰ বৰগীতটোৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰাঁ।

(চ) ‘শৰৎ বৰ্ণনা’ নামৰ কবিতাটিত ভক্তিৰ মহত্ত্ব প্ৰকাশ কৰিবলৈ কবিয়ে কি কি উপায় অৱলম্বন কৰিছে, আলোচনা কৰাঁ।

★ ★ ★